# মাইনাও কৃষি বহুমুখী আত্মসহায়ক গোট

নাৰীশক্তিয়ে সমাজ পৰিবৰ্তনত কেনেধৰণৰ শক্তিশালী ভূমিকা গ্ৰহণ কৰিব পাৰে তাৰে প্ৰকৃষ্ট উদাহৰণ হ'ল কোকৰাঝাৰ চহৰৰ মাইনাও কৃষি বহুমুখী আত্মসহায়ক গোট।

এয়া ২০০৭ চনৰ কাহিনী। কৃষি বিভাগে আয়োজন কৰা Crop Diversification বিষয়ক এটি প্ৰশিক্ষণত অংশগ্ৰহণ কৰি কোকৰাঝাৰ অঞ্চলৰ ১০ গৰাকী জনজাতীয় মহিলা ইমানেই মানসিকভাৱে উদ্বুদ্ধ হৈ পৰিল যে তেওঁলোকে প্ৰশিক্ষণত শিকা পদ্ধতিসমূহেৰে নিজে বহুমুখী খেতি কৰাতেই আবদ্ধ নাথাকি নিজৰ সম্প্ৰদায়ৰ অইন মহিলাসকলোকো এই বিজ্ঞানসন্মত কথাবোৰ শিকোৱাৰ বাবে অংগীকাৰবদ্ধ হৈ পৰিল।

আপাত দৃষ্টিত এয়া বিশেষ গুৰুত্বপূৰ্ণ ঘটনা নহয়। কৃষি বিভাগে তেওঁলোকৰ আগ্ৰহ দেখি পৰামৰ্শ দিলে এটি আত্মসহায়ক গোট গঠন কৰাৰ। পৰামৰ্শমতে শ্ৰীমতী উমা ৰাণী বসুমতাৰীক সভানেত্ৰী আৰু শ্ৰীমতী ইন্দুমতী বসুমতাৰীক সম্পাদিকা হিচাপে লৈ এই দহগৰাকী মহিলাৰে গঠন কৰা হ'ল MAINAO AGRO MULTIPURPOSE SELF HELP GROUP বা মাইনাও কৃষি বহুমুখী গোট। প্ৰতিগৰাকী মহিলাই এহেজাৰকৈ টকা জমা কৰি গঠন কৰা পুঁজিৰে আৰম্ভ হ'ল অঞ্চলটোৰ অনাগত দিনৰ আৰ্থ-সামাজিক ইতিহাস সলনি কৰি দিব পৰা এক প্ৰক্ৰিয়াৰ। সভানেত্ৰী আৰু সম্পাদিকা ক্ৰমে শ্ৰীমতী উমা ৰাণী বসুমতাৰী আৰু শ্ৰীমতী ইন্দুমতী বসুমতাৰীয়ে তেওঁলোকৰ অইন সদস্যসদলক ক'লে 'আমি আমাৰ অঞ্চলটোত এক নতুন বুৰঞ্জীৰ সৃষ্টি কৰিবলৈ বিচাৰিছো। আমাৰ সম্প্ৰদায়টোৰ উন্নতিৰ বাবে ইয়াৰ আগেয়ে আমাৰ কোনো মহিলাই নিজৰ কৰ্ম আৰু ভাগ্যক হাতত লৈ আগবাঢ়ি অহা নাই। গতিকে এতিয়া এই পৰিবৰ্তন কৰিব পৰা নোৱাৰাটো আমাৰ হাতত।'

এক মৰ্মস্পৰ্শী বাণী। এক পৰিৱৰ্তনৰ সম্ভাৱনা বহন কৰি অনা বাণী!

নিজৰ একাগ্ৰতা আৰু কঠোৰ পৰিশ্ৰমেৰে উজ্জীৱিত হৈ পৰা মাইনাও কৃষি বহুমুখী আত্মসহায়ক গোটে ক্ৰমে লাভ কৰিবলৈ ধৰিলে এটাৰ পাছত আন এটা সফলতা।

তেওঁলোকে গ্ৰহণ কৰা বহুবোৰ কাৰ্যসূচীৰ ভিতৰত এটি উল্লেখযোগ্য কাৰ্যসূচী হ'ল কৃষিকৰ্মৰ বাবে দৰিদ্ৰ মহিলাসকলক উৎসাহিত কৰি তুলিবলৈ গোটটোৰ নিজৰ পুঁজিৰে ঋণ আগবঢ়োৱাৰ প্ৰচেষ্টা। আন কাৰ্যসূচীসমূহৰ ভিতৰত কেইটিমান হ'ল মহিলা কৃষকসকলক বিজ্ঞানসন্মত কৃষিৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা। ক্ষেত্ৰভিত্তিক প্ৰদৰ্শনমূলক খেতিৰ ব্যৱস্থা, SRI পদ্ধতিৰে ধান খেতিৰ জনপ্ৰিয়তা বৃদ্ধি কৰা, কৃষি বিভাগ আৰু অন্য আত্মসহায়ক গোটসমূহৰ মাজত সেৱা আগবঢ়োৱা সংস্থা হিচাপে নিজকে গঢ়ি তোলা, চনপৰি থকা মাটি চুক্তিত লৈ সমবায়ভিত্তিত খেতি কৰাৰ প্ৰচেষ্টা, খেতিৰ বাবে গোটটিৰ নিজৰ দুখনকৈ ট্ৰেক্টৰ, এখন পাৱাৰ টিলাৰ, দুটা ক'নো উইডাৰ আৰু বিভিন্ন কৃষি যন্ত্ৰপাতি ভাড়াত দিয়া আদি।

অকল সেয়াই নহয়, লাহে লাহে আত্মসহায়ক গোটটিয়ে অন্য সামাজিক কামলৈও সহায়ৰ হাত আগবঢ়াবলৈ আৰম্ভ কৰিলে। এইসমূহৰ ভিতৰত দৰিদ্ৰ মহিলা কৃষকসকলৰ পৰিয়ালৰ বিবাহ অনুষ্ঠান বা মৃত্যুৰ পাছত অনুষ্ঠানসমূহৰ বাবে প্ৰয়োজন হোৱা ধণ ঋণ হিচাপে আগবঢ়োৱা, শাৰিৰীকভাৱে অক্ষম আৰু দৰিদ্ৰ পৰিয়ালৰ সতি-সন্ততিৰ কিতাপ আৰু স্কুলৰ মাছুল আদিৰ বিনামূলীয়া বিতৰণ আদি অন্যতম। এনে নানা ধৰণৰ জনকল্যাণমূলক কাৰ্যসূচীৰে মাত্ৰ ১০ জনীয়া মহিলা সদস্যৰে আৰম্ভ হোৱা মাইনাও কৃষি বহুমুখী আত্মসহায়ক গোটটো আজি সমগ্ৰ দেশৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

মাইনাও কৃষি বহুমুখী আত্মসহায়ক গোটক কেন্দ্ৰীয় চৰকাৰৰ কৃষি মন্ত্ৰালয়ে চৰকাৰী আঁচনিৰ জৰিয়তে মহিলাসকলৰ কল্যাণ সাধন, আত্মসহায়ক গোটৰ উপযুক্ত আৰু সঠিক কৰ্ম, অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ মানসিকতা, সমবায়ভিত্তিক প্ৰচেষ্টাৰ সফল প্ৰয়োগ আৰু কৃষি যন্ত্ৰপাতিক ভাড়াত দি কৃষি যান্ত্ৰিকীকৰণক উৎসাহ যোগোৱা কাৰ্যৰ বাবে দেশৰ ১০১ গৰাকী কৃষক বা গোটৰ এটা হিচাপে স্বীকৃতি দিছে।

মাইনাও কৃষি বহুমুখী আত্মসহায়ক গোটলৈ আমাৰ সশ্ৰদ্ধ অভিনন্দন!




অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ কে. এম. বুজৰবৰুৱাই মাইনাও কৃষি বহুমুখী আত্মসহায়ক গোটৰ সম্পাদিকা শ্ৰীমতী ইন্দুমতী বসুমতাৰীক অভিনন্দন জনাইছে।